# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-08-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। নেপালৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে। বানত মৃত্যুৰ সংখ্যা ৬৭৫লৈ বৃদ্ধি পাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তাচখণ্ডত উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাভকাট মিৰ্জিঅ'য়েভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

৩। প্ৰধানমন্ত্ৰীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৪। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণ সূচীৰে আজি কেৰলমলৈ যাব।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতীয় মহিলা দলটো থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

নেপালত যোৱা বুধবাৰৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে পূৰ্বে সন্ধানহীন হৈ থকা প্ৰায় ৫০ জন ভাৰতীয় লোকৰ সৈতে যোগাযোগ কৰিব পৰা গৈছে। মন্ত্ৰালয়ে উল্লেখ কৰা মতে, এতিয়াও ২৭৫ জন ভাৰতীয় লোক সন্ধানহীন হৈ থকাৰ লগতে প্ৰায়ে ১২৮ জন প্ৰৱাসী ভাৰতীয়ৰ কোনো সন্ধান পোৱা হোৱা নাই। নেপাল চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰা মতে, বিগত দুদিনত ৫৯৮ জন ভাৰতীয় লোকে চীনৰ পৰা নেপালত প্ৰৱেশ কৰিছে। ইপিনে, চীনৰ ফালে থকা ৯০০ ভাৰতীয় লোক সম্প্ৰতি নিৰাপদে আছে আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসে তেওঁলোকৰ সৈতে প্ৰত্যক্ষ যোগাযোগ ৰক্ষা কৰিছে।

মন্ত্ৰালয়ে কয়, যে ভাৰত চৰকাৰে বানত ক্ষতিগ্ৰস্তসকলৰ উদ্ধাৰ আৰু সাহায্যৰ বাবে নেপালী আৰু চীনা কৰ্তৃপক্ষৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় তথা কাঠমাণ্ডু আৰু বেইজিঙত থকা ভাৰতীয় দূতাৱাসে ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱা হেল্পলাইন ব্যৱস্থা মুকলি কৰিছে।

ইপিনে, নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৭৫ লৈ বৃদ্ধি পাইছে। বৰষুণ আৰু পুনৰ বানৰ আশংকাৰ মাজতে উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে। বানৰ ফলত কমেও ৩২০ জন বিদেশী নাগৰিকৰ

লগতে প্ৰায় দুহেজাৰ ৪০০ লোক সন্ধানহীন হৈ আছে। এতিয়ালৈকে ২৬১ গৰাকী বিদেশী পৰ্যটককে ধৰি ৪ হাজাৰ ৪০০ৰো অধিক লোকক উদ্ধাৰ আৰু স্থানান্তৰ কৰা হৈছে। নেপাল আৰক্ষীয়ে জনোৱা মতে, ৮ খন জিলাৰ পৰা ৬৭৫টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত চিতাবান, নাৱালপাৰাচী পূৱ আৰু নাৱালপাৰাচী পশ্চিম জিলাত সৰ্বাধিক মৃতদেহ উদ্ধাৰ হৈছে। উদ্ধাৰ অভিযানত ১৫ হাজাৰৰো অধিক সুৰক্ষা বাহিনীৰ লোক নিয়োগ কৰা হৈছে আৰু হেলিকপ্টাৰেৰে উদ্ধাৰৰ লগতে সাহাৰ্য সামগ্ৰী যোগান ধৰা হৈছে। সৰ্বাধিক ক্ষতিগ্ৰস্ত ৰাছুৱা জিলাৰ কৰ্তৃপক্ষই জনোৱা মতে, বৰষুণ আৰু কুঁৱলীৰ বাবে সাময়িকভাৱে বন্ধ ৰখা উদ্ধাৰ আৰু সাহায্য অভিযান কালি পুনৰ আৰম্ভ হৈছে।

ইপিনে, চীনৰ ফালে থকা সীমান্তত ৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৫০ৰো অধিক লোক সন্ধানহীন হৈ আছে বুলি চীনা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে কয়, যে বান প্ৰভাৱিত নাগৰিকৰ সৈতে চৰকাৰ আছে আৰু সকলো প্ৰকাৰৰ ব্যৱস্থা প্ৰয়োগ কৰি প্ৰতিজন নাগৰিকৰ জীৱন ৰক্ষা কৰাক চৰকাৰে অগ্ৰাধিকাৰ দিছে। যোৱা বুধবাৰৰ পৰা বন্ধ হৈ থকা দেশখনৰ অন্যান্য অংশৰ সৈতে ৰাজধানী কাঠমাণ্ডুক সংযোগ কৰা গুৰুত্বপূৰ্ণ মাগলিং-কাঠমাণ্ডুৰ ঘাইপথ কালি পুনৰ মুকলি কৰি দিয়া হৈছে।

ইফালে, পুনৰ বৰষুণে পৰিস্থিতি জটিল কৰি তুলিছে। ক্ৰমশঃ প্ৰতিকূল হ'বলৈ ধৰা বতৰ আৰু ক্ষতিগ্ৰস্ত আন্তঃগাঁথনিৰ ফলত বানত বেয়াকৈ প্ৰভাৱিত কোনো কোনো অঞ্চলত উদ্ধাৰ অভিযান চলোৱাত অসুবিধা হোৱাৰ আশংকাই দেখা দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তাচখণ্ডত উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাভকাট মিৰ্জিঅ'য়েভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ৰাষ্ট্ৰপতি ভৱনত দুয়োগৰাকী নেতাই বাণিজ্য-বিনিয়োগ, ডিজিটেল যোগাযোগ, প্ৰতিৰক্ষা, শক্তি আদি বিভিন্ন ক্ষেত্ৰৰ সহযোগিতা গভীৰ কৰি তোলাৰ বাবে আলোচনা কৰিব। তেওঁলোকে লগতে বিকশিত ভাৰত আৰু য়াংগি উজবেকিস্তান সন্দৰ্ভতো মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে আজি প্ৰথমে উজবেকিস্তান যোগ ফেডাৰেছনে আয়োজন কৰা যোগৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে কালি চাৰিদিনীয়া ভ্ৰমণসূচীৰে উজবেকিস্তান আৰু কিৰ্গিজ গণৰাজ্যলৈ ৰাওনা হোৱাৰ প্ৰাক্-মুহূৰ্তত এটা বিবৃতিত শ্ৰীমোদীয়ে, তেওঁৰ এই ভ্ৰমণে মধ্য এছিয়াৰ সৈতে ভাৰতৰ কৌশলগত অংশীদাৰিত্ব আৰু অঞ্চলটোৰ সৈতে থকা সভ্যতাগত যোগাযোগক শক্তিশালী কৰি তুলিব বুলি আশাপ্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত দুয়োখন দেশৰ মাজত গভীৰ সাংস্কৃতিক তথা জনসংযোগৰ প্ৰতীক হৈ থকা তাচখণ্ডৰ শাস্ত্ৰী স্মাৰক স্থল আৰু তাচখণ্ড ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ত থকা মহাত্মা গান্ধী কেন্দ্ৰ পৰিদৰ্শন কৰিব।

তাছখণ্ডৰ পৰা প্ৰধানমন্ত্ৰী মোদী কিৰগিজস্তানৰ বিচকেকলৈ যাব আৰু তাত তেওঁ ৩১ আগষ্টত ২৬ সংখ্যক চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশ গ্ৰহণ কৰিব। শ্ৰীমোদীয়ে এই সন্মিলনত নিৰাপত্তা, যোগাযোগ আৰু সুযোগৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহত আলোকপাত কৰি ভাষণ দিব। চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে এই সংস্থাৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। তেওঁ লগতে মধ্য এছিয়াৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ উদযাপন উপলক্ষে আয়োজন কৰা ষষ্ঠ বিশ্ব ন'মাড গ্ৰেমছৰ উদ্বোধনী অনুষ্ঠানতো অংশ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণৰ কাৰ্যসূচীৰে আজি কেৰলমলৈ যাব। তেওঁ আলাপ্পুঝাত মালয়ালমৰ অন্যতম আগশাৰীৰ দৈনিক কাকত কেৰালা কৌমুদিৰ ১১৫ বছৰীয়া জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে পাঠানামথিট্টাত কেৰলমৰ অন্যতম পুৰণি নৌকা দৌৰ প্ৰতিযোগিতা **আৰনমুলা জল মহোৎসৱ** উদ্বোধন কৰিব। পাছত তেওঁ তিৰুৱনন্তপুৰমত ৰাজ্য চৰকাৰে আয়োজন কৰা ওনাম পৰ্যটন সপ্তাহত অংশগ্ৰহণ কৰিব। কাইলৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লাক্ষাদ্বীপৰ আগাট্টি ভ্ৰমণ কৰিব আৰু মীন, পশুপালন তথা দুগ্ধ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেৰলমলৈ উভতি অহাৰ পাছত তেওঁ কোচিৰ কাক্কানাডত ৰাজাগিৰি স্কুল অৱ ইঞ্জিনিয়াৰিং এণ্ড টেকনল'জিৰ ৰূপালী জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এই আনুষ্ঠানিক ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তিনিদিনীয়া লক্ষ্ণৌ ভ্ৰমণৰ তৃতীয় আৰু অন্তিম দিনটোত আজি উদ্যোগ সন্মিলনত ভাষণ দিব। প্ৰধানমন্ত্ৰী সেতু যোজনাৰ অধীনত আয়োজন কৰা এই সন্মিলনত দক্ষতা বিকাশ, উদ্যোগীকৰণ আৰু বৃত্তিমূলক শিক্ষাৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত আলোচনা কৰা হ'ব। সন্মিলনত অংশগ্ৰহণ কৰাৰ পূৰ্বে শ্ৰীসিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কি বাত কাৰ্যসূচী শুনিব। ইয়াৰ পাছত তেওঁ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ উপস্থিতিত লক্ষ্ণৌ কণ্টেনমেণ্ট অঞ্চলত ১০১ কোটি টকা ব্যয় সাপেক্ষে ১২টা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

কালি ভ্ৰমণৰ দ্বিতীয় দিনটোত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লক্ষ্ণৌত সুগন্ধি উদ্যান উদ্বোধন কৰি কয় যে উদ্যান আৰু ৰাজহুৱা স্থানে জনসাধাৰণক একত্ৰিত কৰে। ক্ৰমান্বয়ে ব্যস্ত হৈ অহা জীৱনশৈলীত এনে স্থানসমূহে সামাজিক বন্ধন শক্তিশালী কৰাত সহায় কৰে। অনুষ্ঠানৰ সময়ত তেওঁ লালা লাজপত ৰায় আৰু শ্বহীদ ভগতৰ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে ৪,৩১৩ লাখ টকা ব্যয় সাপেক্ষে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে বাবাচাহেব ভীমৰাও আম্বেদকাৰ বিশ্ববিদ্যালয়ৰ একাদশ সমাৱৰ্তন

অনুষ্ঠানত ভাষণ দিয়াৰ লগতে গোমতি নগৰ অঞ্চলত জ্যেষ্ঠ নাগৰিকৰ এটা আবাসো উদ্বোধন কৰে।

০০০০০

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতে হিন্দুত্বই প্ৰতিজন মানুহৰ মৰ্যাদাক স্বীকৃতি দিয়ে আৰু একেটা সত্যৰ ভিন্ন পথ গ্ৰহণ কৰে বুলি দৃঢ়তাৰে প্ৰকাশ কৰি কয় যে মুছলমানসকল ভাৰতৰ অংশ নহয় বুলি ভবা মানসিকতা হিন্দুত্বৰ মনোভাৱৰ বিপৰীত। নিউয়ৰ্কত অনুষ্ঠিত "এখন পৃথিৱী, এটা মানৱতা" শীৰ্ষক সন্মিলনত ভাষণ দি শ্ৰীভাগৱতে কয় যে, হিন্দুত্ব প্ৰতিগৰাকী লোকৰ সন্মান আৰু ই প্ৰত্যেক ধৰ্মৰ প্ৰতি সন্মানৰ ভাবনাত বিশ্বাস কৰে। ২০১৮ চনত দিল্লীত বক্তৃতা শৃংখলাৰ সময়ত মুছলমানসকলে তেওঁক সোধা এটা প্ৰশ্নৰ কথা স্মৰণ কৰি তেওঁ কয় যে সেই সময়তো তেওঁ একেই উত্তৰ দিছিল। তেওঁ কয় যে হিন্দু পৰিচয়ৰ বাবে ধৰ্মীয় বৈচিত্ৰ্যক গ্ৰহণ কৰাৰ লগতে প্ৰতিগৰাকী ব্যক্তিৰ সমমূল্যৰ প্ৰয়োজন। শ্ৰীভাগৱতে কয়, যদি আপুনি নিজকে হিন্দু বুলি ক'ব বিচাৰে তেন্তে আপুনি বিশ্বাস কৰিব লাগিব যে সকলো পথেই একেটা লক্ষ্যলৈ লৈ যায়। প্ৰতিগৰাকী মানুহৰ মৰ্যাদা আছে, মানুহৰ মাজত কোনো পাৰ্থক্য নাই। এই সকলোবোৰ পাৰ্থক্যই প্ৰকৃতিক সজাই তোলে,আৰু আমি সেইবোৰ স্বীকাৰ কৰিব লাগিব। কিন্তু যি বাস্তৱত সদায় উপস্থিত থাকে সেয়া হ'ল আমি এক। শ্ৰীভাগৱতে লগতে কয় যে তেওঁ কোনো ধৰ্মীয় পণ্ডিত বা ধৰ্মীয় কৰ্তৃপক্ষও নহয়। তেওঁৰ অভিজ্ঞতা ভাৰতীয় সমাজৰ ভিতৰত কাম কৰা আৰু মানৱতাৰ ঐক্যক স্বীকৃতি দিয়াৰ দীৰ্ঘদিনীয়া পৰম্পৰাৰ পৰাই আহিছে।

তেওঁ কয় যে আগ্ৰাসন আৰু সভ্যতাবাদী ঐতিহ্যৰ কেইবাটাও উপাদান হেৰুৱাৰ পাছতো ভাৰতৰ সহাৱস্থানৰ পৰম্পৰা স্থায়ী হৈ আছে। শ্ৰীভাগৱতে কয় যে ধৰ্মীয় নেতাসকলে সমাজখনক শিক্ষা দি থাকিব লাগিব কাৰণ যেতিয়া মানৱ ঐক্যৰ বাৰ্তা শক্তিশালী নহ'ব তেতিয়া বিচ্যুতিৰ সৃষ্টি হ'ব পাৰে। উল্লেখযোগ্য যে, তেওঁ ২০০৯ চনৰ পৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে।

০০০০০

টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় মহিলা দলে প্ৰথমখন খেলত থাইলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোত স্মৃতি মান্ধানা সহ অধিনায়ক হিচাপে থাকিব। উল্লেখযোগ্য যে, টি-টুৱেণ্টি এছিয়া কাপৰ ইতিহাসত ভাৰতে এতিয়ালৈকে ৫ খনৰ ভিতৰত ৩ খন খেলত খিতাপ জয় কৰি আটাইতকৈ সফল দল হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাত থাইলেণ্ডে যোৱা শুকুৰবাৰে নিজৰ প্ৰথম

খেলত হংকং-চীনক পৰাস্ত কৰে। প্ৰতিযোগিতাত মুঠ ৮টা দলৰ ভিতৰত গ্ৰুপ-এত ভাৰত, থাইলেণ্ড, হংকং আৰু পাকিস্তান আছে।

০০০০০

**সমাপ্ত**